জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৬/২০২১

# সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটীৰ শৈক্ষিক কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

## কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে এইমছ, গুৱাহাটীৰ বাকী থকা কাম দ্ৰুততাৰে সম্পন্ন কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১২ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত  সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটীৰ এমবিবিএছ পাঠ্যক্ৰমৰ প্ৰথমটো বিদ্যাৰ্থী গোটৰ শৈক্ষিক কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰি বন্তি প্ৰজ্বলনেৰে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটীৰ প্ৰথমটো শিক্ষাৰ্থী গোটক আন্তৰিকতাৰে অভিনন্দন জ্ঞাপন কৰি কয় যে আজি স্বামী বিবেকানন্দৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি পালন কৰা ৰাষ্ট্ৰীয় যুৱ দিৱসৰ দিনাখনে এই কাৰ্যসূচী অনুষ্ঠিত কৰাটো এক আশাপ্ৰদ দিশ। মুখ্যমন্ত্ৰীয়ে সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ দৰে স্বাস্থ্যৰ এক উল্লেখযোগ্য প্ৰতিষ্ঠান অসমত গঢ় দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী ডাঃ হৰ্ষ বৰ্দ্ধনকো বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বিগত ৬ বছৰত প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে অসমৰ ক্ষিপ্ৰ উন্নয়নৰ বাবে যি উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে ইয়ে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানখন প্ৰতিষ্ঠাৰ দিশত দিনে-নিশাই যি কষ্ট কৰিলে তাৰো শলাগ লয়। কেন্দ্ৰ আৰু ৰাজ্যৰ সক্ৰিয় সহযোগিতাত আজি ই সম্ভৱ হৈ উঠিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই প্ৰতিষ্ঠানত ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অন্তৰ্ভুক্ত হোৱা ছাত্ৰ-ছাত্ৰীসকলক নিষ্ঠাৰে অধ্যাৱসায়ত ব্ৰতী হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' গঢ়াৰ সপোন বাস্তৱায়িত কৰাৰ বাবেও আহ্বান জনায়। যুৱ শক্তিক মহাশক্তি বুলি উল্লেখ কৰি ভাৰতৰ যুৱ শক্তিয়ে ভাৰতবৰ্ষক স্বাস্থ্যকে ধৰি সকলো খণ্ডতে বিশ্বৰ শ্ৰেষ্ঠ ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ সম্ভাৱনীয়তা বহন কৰিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ ৰ সু-ব্যৱস্থাপনাৰে অসমে আজি দেশৰ ভিতৰতে এক আৰ্হি ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ কথাটো উল্লেখ কৰি স্বাস্থ্য বিভাগকে ধৰি অন্যান্য বিভাগে এই দিশত সন্মিলিতভাৱে কাম কৰি যি উদাহৰণ দাঙি ধৰিলে ইয়াৰ বাবে ই সম্ভৱ হৈ উঠিল বুলি কয়। ভাৰতবৰ্ষত জন্ম লোৱাটো এক সৌভাগ্যৰ বিষয় বুলি উল্লেখ কৰি সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটীৰ প্ৰথম শিক্ষাৰ্থীৰ দলটোক এই প্ৰতিষ্ঠানখনৰ লগতে

ভাৰতৰ সুনাম বিশ্বৰ বুকুত উজ্জ্বল ৰূপত উদ্ভাষিত কৰাৰ বাবে কঠোৰ পৰিশ্ৰমত ব্ৰতী হোৱাৰ বাবেও তেওঁ আহ্বান জনায়। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সন্মিলিতভাৱে এইমছৰ বাকী থকা কামখিনি দ্ৰুততাৰে সম্পন্ন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে প্ৰদান কৰা বক্তব্যত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ মন্ত্ৰী ডাঃ হৰ্ষ বৰ্দ্ধনে সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটীৰ প্ৰথমটো শিক্ষাৰ্থী দল হিচাপে নিজকে সৌভাগ্যৱান হিচাপে গণ্য কৰিবলৈ আহ্বান জনায়। এই প্ৰসংগত তেওঁ কয় যে আজি এই ছাত্ৰ-ছাত্ৰীসকলক দুগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, এগৰাকী মুখ্যমন্ত্ৰী, ৰাজ্যৰ দুগৰাকী মন্ত্ৰী, দুগৰাকী সাংসদ, ৰাজ্যৰ মুখ্য সচিবকে ধৰি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকলে উষ্ম আদৰণী জনাইছে। এনেদৰে একেলগে ইমান গণ্য-মান্য ব্যক্তিয়ে আদৰণী জনোৱাটো তেওঁলোকৰ জীৱনৰ বাবে এক স্মৰণীয় মুহূৰ্ত হৈ ৰ'ব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই ছাত্ৰ-ছাত্ৰীসকলক নিজৰ অধ্যাৱসায়ত ব্ৰতী হৈ সুচিকিৎসক হিচাপে ভৱিষ্যতে নিজৰ সুনাম অৰ্জন কৰাৰ দিশত দায়বদ্ধতাৰে অৱতীৰ্ণ হোৱাৰ বাবে আহ্বান জনায়। ভাল চিকিৎসক এদিনতে সৃষ্টি নহয় বুলি উল্লেখ কৰি এই ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ মাজত নিষ্ঠা, দায়বদ্ধতা, একাগ্ৰতা ইত্যাদি গুণসমূহৰ উপযুক্ত সমাহাৰ ঘটিব লাগিব বুলিও তেওঁ উল্লেখ কৰে। ভাষণ প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ দ্ৰুত বিকাশৰ বাবে গ্ৰহণ কৰা বহু সংখ্যক পদক্ষেপৰ আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতি ১৫ দিনৰ অন্তৰে অন্তৰে কেন্দ্ৰীয় মন্ত্ৰীসকলক উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ পৰিদৰ্শন কৰাৰ নিৰ্দেশ দিয়াৰ উপৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে নিজেও উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বিষয়সমূহ অবিৰতভাৱে নিৰীক্ষণ কৰাৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নে বৰ্তমান বিশেষ গতি লাভ কৰিছে বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে ক'ভিড-১৯ ব্যৱস্থাপনাৰ দিশত অসমে লাভ কৰা বিশেষ সফলতাৰ বিষয়ে উল্লেখ কৰি ক'ভিড-১৯ ৰ জটিল সময়ত অসমৰ ব্যৱস্থাপনাক লৈ কেন্দ্ৰীয় চৰকাৰ কোনো দিনে চিন্তিত হ'ব লগা ন'হল বুলিও কয়। ইয়াৰ বাবে মুখ্যমন্ত্ৰী, স্বাস্থ্যমন্ত্ৰী, ৰাজ্যিক স্বাস্থ্যমন্ত্ৰীকে ধৰি ইয়াৰ লগত জড়িত থকা সকলোকে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইমছৰ দৰে প্ৰতিষ্ঠান অসমত স্থাপনৰ দিশত লোৱা ভূমিকাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তথা কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী ডাঃ হৰ্ষ বৰ্দ্ধনক ধন্যবাদ জ্ঞাপন কৰে। ১১২৩ কোটি টকা ব্যয়ৰ এই প্ৰতিষ্ঠানখনৰ আধাৰশিলা ২০১৭ চনৰ ২৬ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্থাপন কৰাৰ উপৰি ২০১৯ বৰ্ষৰ ৭ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীগৰাকীয়ে ভূমিপূজন কৰিছিল বুলিও তেওঁ কয়। ৰাজ্য চৰকাৰে এই প্ৰতিষ্ঠানখন স্থাপনৰ বাবে প্ৰয়োজনীয় ভূমি প্ৰদান কৰাৰ উপৰি ১৫০ কোটি টকাৰ বাজেট ব্যৱস্থাপনাও কৰিছে বুলি তেওঁ কয়। এই প্ৰতিষ্ঠানখন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সন্মিলিত সহযোগিতাত হোৱা এক উল্লেখযোগ্য প্ৰতিষ্ঠান বুলিও তেঁও কয়। মন্ত্ৰীগৰাকীয়ে প্ৰথম শিক্ষাবৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

অনুষ্ঠানত ভিডিঅ' কনফাৰেন্সিং যোগে প্ৰদান কৰা ভাষণত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী অশ্বিনী কুমাৰ চৌবেয়ে আজিৰ দিনটোক অত্যন্ত শুভদিন বুলি উল্লেখ কৰাৰ লগতে স্বামী বিবেকানন্দৰ পৱিত্ৰ জন্মদিনটোতে সৰ্বভাৰতীয় আৰ্য়ুবিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটীৰ শিক্ষাবৰ্ষ আৰম্ভ হোৱাটো এক উল্লেখযোগ্য বিষয় বুলি কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ স্বাস্থ্য সেৱাই উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে দেশৰ জনতাৰ বাবে প্ৰধানমন্ত্ৰীয়ে আয়ুষ্মান ভাৰত, নতুন নতুন সৰ্বভাৰতীয় আৰ্য়ুবিজ্ঞান প্ৰতিষ্ঠান স্থাপন, ফিট ইণ্ডিয়া মুভমেণ্ট ইত্যাদিৰ দৰে যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। এইমছ, গুৱাহাটীৰ নিৰ্মাণ কাৰ্য এই বৰ্ষৰ অক্টোবৰত সম্পন্ন কৰাৰ লক্ষ্য লোৱা হৈছিল যদিও ক'ভিড-১৯ সৃষ্ট পৰিস্থিতিৰি পৰিপ্ৰেক্ষিতত ২০২২ চনৰ প্ৰথম ভাগতে এই নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ ই এক গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান হিচাপে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণলৈ স্বাস্থ্য সেৱা আগবঢ়াব বুলিও তেওঁ কয়।

আজিৰ এই অনুষ্ঠানত এইমছ, ভূৱনেশ্বৰৰ সঞ্চালক তথা এইমছ, গুৱাহাটীৰ মেন্টৰ ডাঃ গীতাঞ্জলি বটমানৰনে আদৰণী ভাষণত এইমছ, গুৱাহাটীৰ বিভিন্ন দিশ সামৰি এক প্ৰেজেন্টেশ্যনো আগবঢ়ায়। অনুষ্ঠানত স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ কুইন ওজা আৰু ডাঃ ৰাজদ্বীপ ৰয়ে ভাষণ প্ৰদান কৰাৰ উপৰি এইমছ, গুৱাহাটীৰ সভাপতি ডাঃ চিত্ৰা সৰকাৰেও ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে বক্তব্য প্ৰদান কৰে। এইমছ, গুৱাহাটীৰ ফিজিঅ'লজি বিভাগৰ মুৰব্বী মানসী ভট্টাচাৰ্যই অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায়।

**বঃভাঃ**
**১২/০১/২০২১**